**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-10-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

## ***Headlines***

১। দেশৰ ডিজিটেল ব্যৱস্থাই উদ্ভাৱন আৰু অন্তৰ্ভুক্তিৰ বাবে গোলকীয় মান স্থাপন কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সন্ত্ৰাসবাদ আৰু আলোচনা একেলগে চলিব নোৱাৰে বুলি উল্লেখ কৰিছে।

৩। বিহাৰত সমাগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে জনসূৰাজ পাৰ্টীয়ে আজি ৫১ গৰাকী প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে।

৪। হাংগেৰীৰ প্ৰখ্যাত ঔপন্যাসিক আৰু চিত্ৰনাট্যকাৰ লাছ্‌ল' ক্ৰাছনাহ'ৰ্কাইলৈ ২০২৫ বৰ্ষৰ সাহিত্যৰ নবেল বঁটা আগবঢ়োৱা হৈছে।

*আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত দক্ষিণ আফ্ৰিকাৰ সন্মুখীন হৈছে।

০০০০০০০

দেশৰ ডিজিটেল ব্যৱস্থাই উদ্ভাৱন আৰু অন্তৰ্ভুক্তিৰ বাবে গোলকীয় মান স্থাপন কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। মুম্বাইত আজি বিয়লি গোলকীয় বিত্ত প্ৰযুক্তি মহোৎসৱ ২০২৫ত ভাষণ দি শ্ৰী মোদীয়ে কয়, যে প্ৰযুক্তিৰ গণতান্ত্ৰিকীকৰণৰ বাবে ভাৰত প্ৰযুক্তিৰ দিশৰ পৰা সবাটোকৈ সৰ্বাত্মক সমাজ ৰূপে পৰিগণিত হৈছে। তেওঁ কয়, যে দেশৰ প্ৰতিমাহে ইউ পি আই ব্যৱস্থাৰে ২৫ লাখ কোটি টকাৰ লেনদেন হয়।

মহোৎসৱত অংশগ্ৰহণ কৰি ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰ্মাৰে  কয়, যে ব্ৰিটেইন আৰু ভাৰত স্বাভাৱিক সহযোগী আৰু বিত্ত প্ৰযুক্তিখণ্ডৰ ক্ষেত্ৰত অগ্ৰণী। তেওঁ কয়, যে ভাৰত ব্ৰিটেইন মুক্ত বাণিজ্য চুক্তিয়ে দুয়োখন দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ বৃদ্ধি কৰিব। তেওঁ এই চুক্তিখনক উভয় ৰাষ্ট্ৰৰ বাবে লাভদায়ক বুলি মন্তব্য কৰে। ইয়াৰ আগেয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্ৰী ষ্টাৰ্মাৰৰ সৈতে মুখ্য কাৰ্যাবাহী বিষয়াৰ মঞ্চত ভাষণ দিয়ে। শ্ৰী মোদীয়ে কয়, যে চলিত বৰ্ষত গোলকীয় অনিচ্ছয়তাৰ মাজতো ভাৰত আৰু ব্ৰিটেইনৰ মাজৰ সম্পৰ্ক শক্তিশালী হৈছে। তেওঁ কয় যে, দুয়োখন ৰাষ্ট্ৰৰ মাজত দূৰ সংযোগ, কৃত্ৰিম বুদ্ধিমত্তা, জৈৱ প্ৰযুক্তি, কোৱাণ্টাম, অৰ্ধপৰিবাহী, চাইবাৰ আৰু মহাকাশৰ লেখীয়া খণ্ডসমূহত সহযোগিতাৰ নতুন সম্ভাৱনা গঢ় লৈছে।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰ্মাৰে প্ৰযুক্তি, প্ৰতিৰক্ষা, কৃত্ৰিম বুদ্ধিমত্তা, বহনক্ষম উন্নয়ন  আৰু নৱীকৰণযোগ্য শক্তিকে ধৰি বিভিন্ন বিষয়লৈ আলোচনা কৰে। মুম্বাইত দুয়োগৰাকী নেতাৰ মাজত প্ৰতিনিধি পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হয়।

ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰ্মাৰৰ সৈতে মুম্বাইত আজি বিয়লি  মুম্বাইত এখন যুটীয়া সংবাদমেলত শ্ৰী মোদীয়ে কয়, যে দুয়োখন ৰাষ্ট্ৰ গোলকীয় সুস্থিৰতা আৰু অৰ্থনৈতিক প্ৰগতিৰ প্ৰতি বদ্ধ পৰিকৰ। ভাৰত-ব্ৰিটেইন সৰ্বাত্মক অৰ্থনৈতিক আৰু বাণিজ্যিক চুক্তিৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰা প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে চুক্তিখনে যুৱ প্ৰজন্মৰ বাবে কৰ্মসংস্থাপনৰ নতুন যুগ সৃষ্টি কৰিব আৰু দুয়ো দেশৰ মাজত বাণিজ্য সম্প্ৰসাৰণ কৰিব।

ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰ্মাৰে কয়, যে ভাৰত আৰু ব্ৰিটেইনে ভৱিশ্যকৰ ওপৰত গুৰুত্ব আৰোপ কৰ আধুনিক সহযোগিতা গঢ়ি তুলিছে। শ্ৰী ষ্টাৰ্মাৰে ভাৰত-ব্ৰিটেইন সৰ্বাত্মক অৰ্থনৈতিক আৰু বাণিজ্যিক চুক্তিক উল্লেখনীয় সাফল্য বুলি অভিহিত কৰে।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সন্ত্ৰাসবাদ আৰু আলোচনা একেলগে চলিব নোৱাৰে বুলি প্ৰকাশ কৰিছে। তেওঁ কয়, যে সন্ত্ৰাসবাদ আৰু বাণিজ্য তথা পানী আৰু তেজ একেলগে বব  নোৱাৰে। অষ্ট্ৰেলিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰিচাৰ্ড মাৰ্লছৰ সৈতে আজি কানবেৰাত হোৱা দ্বিপাক্ষিক আলোচনাক মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ গভীৰ সাংস্কৃতিক সম্পৰ্ক আৰু উমৈহতীয়া গণতান্ত্ৰিক প্ৰমূল্যৰ বিষয়ে উল্লেখ কৰি শ্ৰী সিঙে কয়, যে দুয়োখন দেশৰ মাজত সৰ্বাত্মক কৌশলগ সহযোগিতাৰ বাবে প্ৰতিৰক্ষা সহযোগিতাও যথেষ্ট বৃদ্ধি পাইছে। আলোচনা কালত তিনিখন গুৰুত্বপূৰ্ণ চুক্তিত স্বাক্ষৰিত হয়। ইয়াৰে ভিতৰত আদান-প্ৰদান চুক্তি, চাবমেৰিন সন্ধান আৰু উদ্ধাৰ সহযোগিতা তথা যুটীয়া কৰ্মচাৰী বায়োদাতা সম্পৰ্কীয় চৰ্তাৱলী অন্যতম। আলোচনা কালত দুয়োপক্ষই সামৰিক অনুশীলন, সামুদ্ৰিক সুৰক্ষা, প্ৰতিৰক্ষা উদ্যোগ সহযোগিতা আৰু বিজ্ঞান তথা প্ৰযুক্তিৰ ক্ষেত্ৰত যুটীয়া গৱেষণাকে ধৰি বিভিন্ন ক্ষেত্ৰত প্ৰতিৰক্ষা সহযোগিতা সুদৃঢ় কৰাৰ বাবে প্ৰতিশ্ৰুতি বদ্ধাতা প্ৰকাশ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ নতুন দিল্লীত প্ৰধানমন্ত্ৰী ধনধান্য কৃষি যোজনা আৰু দাইলৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা অভিযান মুকলি কৰিব। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে দেশ ঘেঁহু আৰু চাউল উৎপাদনৰ ক্ষেত্ৰত ইতিমধ্যে আত্মনিৰ্ভৰশীল হৈ উঠিছে। এতিয়া দেশ দাইল উৎপাদনৰ ক্ষেত্ৰতো আত্মনিৰ্ভৰশীল হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে দেশৰ বিভিন্ন দাইলৰ খেতিকৰা মাটিৰ পৰিমান বৃদ্ধি কৰা হব। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী ধনধান্য কৃষি যোজনাৰ জৰিয়তে উৎপাদন, একেলগে বিভিন্ন শস্যৰ খেতিৰ প্ৰসাৰ, উন্নত জলসিঞ্চন আৰু মজুতকৰণত গুৰুত্ব আৰোপ কৰা হ'ব।

শ্ৰী চৌহানে কয়, যে প্ৰধানমন্ত্ৰীগৰাকীয়ে কৃষি, আন্তঃগাঁথনি পুজি, পশু পালন, মীন পালন আৰু খাদ্য প্ৰসংস্কৰণ খণ্ডৰ সৈতে জড়িত প্ৰায় দুহেজাৰ ১০০ তকৈও  অধিক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে কিছু সংখ্যক প্ৰকল্প মুকলি কৰিব। ৪২ হাজাৰ কোটিতকৈও অধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্পসমূহৰ জৰিয়তে দেশৰ লাখ লাখ কৃষকৰ কল্যাণ সাধন হোৱাৰ লগতে তেওঁলোকৰ বাবে সমৃদ্ধিৰ নতুন দিগন্ত উন্মোচিত হ'ব। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী মোদীয়ে অনুষ্ঠিটোত কৃষি খণ্ডত বিশেষ বৰঙণি আগবঢ়োৱা কৃষিজাত সামগ্ৰী উৎপাদন কৰা সংস্থা, সমবায়, প্ৰযুক্তি উদ্ভাৱক তথা কৃষকসকলক সম্বৰ্ধনা জনাব।

মন্ত্রীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী ধনধান্য কৃষি যোজনাৰ অধীনত দেশৰ কম উৎপাদনশীল ১০০ খন জিলাক সামগ্ৰিকভাৱে বিকাশ অভিমুখে লৈ যোৱা হ'ব। এই আঁচনিৰ জৰিয়তে প্ৰত্যেকখন কৃষি পামত জলসিঞ্চনৰ সুবিধা, একেলগে বিভিন্ন শস্যৰ খেতিৰ প্ৰসাৰ তথা কৃষকসকললৈ ভঁৰালৰ সুবিধাৰ উপৰি সহজ ঋণ প্ৰদানৰ লক্ষ্য লোৱা হৈছে।

০০০০০০০

বিহাৰত সমাগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে জনসূৰাজ পাৰ্টীয়ে আজি ৫১ গৰাকী প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। ইতিমধ্যে এন ডি এৰ আসনৰ বুজাবুজি সন্দৰ্ভত বিহাৰৰ বিজেপি সভাপতি দীলিপ জয়ছোৱালে কয়, যে একতাৰে এই মিত্ৰজোট আগুৱাই যাব। পাটনাত এখন সংবাদ মেলত আৰ জে ডিৰ নেতা তেজস্বী য়াদৱে কয়, যে বিহাৰৰ জনতাই এইবেলি পৰিৱৰ্তন বিচাৰিছে। তেওঁ কয়, যে মিত্ৰজোঁটে বিহাৰৰ জনসাধাৰণৰ বাবে সামাজিক ন্যায়ৰ উপৰি অৰ্থনৈতিক ন্যায়ো সুনিশ্চিত কৰিব বিচাৰে।

০০০০০০০

বিহাৰৰ বিধানসভা নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত হোৱাটো সুনিশ্চিত কৰিবলৈ প্ৰায় আঠ লাখ ৫০ হাজাৰ বিষয়া নিয়োগ কৰা হৈছে। নিৰ্বাচন বিভাগে প্ৰকাশ কৰা মতে প্ৰায় ৪ লাখ ৫৩ হাজাৰ নিৰ্বাচনী বাষয়া, দুই লাখ ৫০ হাজাৰ আৰক্ষী বিষয়া, ২৮ হাজাৰতকৈয়ো অধিক গণনা বিষয়া তথা ১৮ হাজাৰ সুক্ষ্মপৰ্যৱেক্ষকৰ হাতত এই দায়িত্ব অৰ্পণ কৰা হৈছে।

বিহাৰত প্ৰথমবাৰৰ বাবে ২৪৩টা সমষ্টিৰ প্ৰত্যেকতে একো গৰাকীকৈ সাধাৰণ পৰ্যৱেক্ষক নিয়োগ কৰা বুলি নিৰ্বাচন আয়োগে সদৰি কৰিছে। তদুপৰি ৩৮ গৰাকী আৰক্ষী পৰ্যৱেক্ষক আৰু ৬৭ গৰাকী ব্যয় পৰ্যৱেক্ষক নিয়োগ কৰা বুলিও আয়োগে প্ৰকাশ কৰিছে। এই প্ৰৰ্যৱেক্ষকসকলে তেওঁলোকৰ সংশ্লিষ্ট সমষ্টিত বাহৰ পাতি যিকোনো বিষয় সন্দৰ্ভত ৰাজনৈতিক দল তথা প্ৰাৰ্থীসকলক নিয়মীয়াকৈ সাক্ষাৎ কৰিব। নিৰ্বাচন বিভাগে প্ৰকাশ কৰা অনুসৰি ই চি আই নেট এপৰ Book-a-call ব্যৱস্থা তথা ফোন কলৰ জৰিয়তে ভোটদতাসকলক সহায় কৰিবলৈ ৯০ হাজাৰ ৭১২ গৰাকী বুথ পৰ্য্যাৰ বিষয়া আৰু ২৪৩ গৰাকী ভোটদাতা পঞ্জীয়ন বিষয়া সাজু হৈ আছে।

০০০০০০০

আফগানিস্তানৰ অন্তৰৰ্তীকালীন বৈদেশিক মন্ত্ৰী আমিৰ খান মুত্তাকি সাদিনীয়া কাৰ্যসূচীৰে আজি নতুন দিল্লীত উপস্থিত হৈছে। ২০২১ চনৰ আগষ্টত আফগানিস্তানৰ শাসনভাৰ তালিবানৰ হাতলৈ অহাৰ পাছত দেশখনৰ কোনো শীৰ্ষ পৰ্যায়ৰ কূটনীতিবিদে এয়া প্ৰথমবাৰলৈ ভাৰত ভ্ৰমণ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰনধিৰ জয়ছোৱালে কয়, যে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ সমিতিয়ে বিদেশ মন্ত্ৰীগৰাকীক নতুন দিল্লীলৈ ভ্ৰমণ কৰাৰ বাবে বিশেষ অনুমতি প্ৰদান কৰিছে। অহা ১৬ অক্টোবৰত মন্ত্ৰীগৰাকীৰ ভাৰত ভ্ৰমণৰ অন্ত পৰিব।

০০০০০০০

হাংগেৰীৰ প্ৰখ্যাত ঔপন্যাসিক আৰু চিত্ৰনাট্যকাৰ লাছল' ক্ৰাছনাহ'ৰ্কাইলৈ ২০২৫ বৰ্ষৰ সাহিত্যৰ নবেল বঁটা আগবঢ়োৱা হৈছে। ছুইডেনৰ ষ্টকহোমত থকা ছুইডিচ একাডেমী নবেল কমিটীয়ে আজি এই বঁটা ঘোষণা কৰে। সন্ত্ৰাস আৰু হত্যা-হিংসা জৰ্জৰিত পৰিস্থিতিত নিজৰ প্ৰভাৱশালী আৰু ভৱিষ্যদৰ্শী সাহিত্যকৰ্মৰে কলা শক্তিক পুনৰ প্ৰতিষ্ঠা কৰাৰ স্বীকৃতিস্বৰূপে সাহিত্যিকগৰাকীলৈ এই বঁটা আগবঢ়োৱা হৈছে। পুৰস্কাৰ হিচাপে তেওঁ ১ দশমিক ২

নিযুত আমেৰিকান ডলাৰ লাভ কৰিব। উল্লেখযোগ্য যে ইয়াৰ আগেয়ে চলিত সপ্তাহটোত চিকিৎসা, পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞানৰ নবেল বঁটা প্ৰদান কৰা হৈছিল।

০০০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বিশাখাপট্টনমত অনুষ্ঠিত এখন খেলত ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ৪৬ অভাৰত ৭টা উইকেট হেৰুৱাই ২০৩ ৰান কৰি খেলি আছে। ৰিছা ঘোষে ৬২ ৰান কৰি খেলি আছে। প্ৰতিকা ৰাৱলে ৩৭ ৰান কৰে।

০০০০০০০

প্ৰতিযোগিতামূলক যুক্ত ৰাষ্ট্ৰবাদ দেশক উন্নত ৰাষ্ট্ৰ ৰূপে গঢ়ি তোলাৰ সঠিক দৃষ্টিভংগী বুলি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি বাণিজ্য আৰু উদ্যোগ সংঘৰ ১২০ সংখ্যক বাৰ্ষিক অধিৱেশনত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সুশাসনৰ জৰিয়তে ৰাজ্যসমূহক সবল কৰি তুলিছে। তেওঁ কয় যে  কেন্দ্ৰই পুঁজি যোগান ধৰা ভালেসংখ্যক আঁচনি স্থানীয় পৰ্যায়ত ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰলৈ হস্তান্তৰ কৰা হৈছে। ৰাষ্ট্ৰৰ বিকাশৰ বাবে স্থানীয় পৰ্যায়ৰ বিকাশ জৰুৰী বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

সমাপ্ত